FirstRanker.com
Firstranker's choice


# Sample Question Paper Design - 2020-2021
## Subject : Assamese
## Class : X
## Code : 014
## SET - I

**Time : 3 Hours** **Marks : 40 + 40 = 80**

## PART - A

১) তলৰ গল্পটো ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্ন সমূহৰ উত্তৰ লিখা।

এদিন এটা কুকুৰে আহাৰ বিচাৰি ফুৰিছিল। দৈবাৎ সি এডোখৰ ডাঙৰ মঙহ পালে। তাৰে কিছু সি খালে বাকী ডোখৰ মুখত লৈ ঘৰলৈ আহিল। ঘৰত জিৰাই - শঁতাই খাব।

তাৰ বাটত এটা জুৰি - জুৰিৰ ওপৰেদি ডাঙৰ কাঠ এচটা - তাৰে মানুহ-দুনুহ পাৰ হয়। কাঠচটাৰ ওপৰেদি কুকুৰটো পাৰ হ'বলৈ ধৰিলে। পানীত তাৰ চকু পৰিল। তলত - মঙহ লৈ এটা কুকুৰ যেন দেখিলে।

সি জুমি চালে। কুকুৰ নে, আন কিবা? এৰা, কুকুৰেই। তাৰো মুখত ডাঙৰ এডোখৰ মঙহ। দেখিলেই খাওঁ খাওঁ কৰে। কুকুৰ বৰ লোভী। সি আন কুকুৰক খাবলৈ দিব নোখোজে। গোটেইসোপাকে নিজে খোৱাৰ মন। কুকুৰটোৱে তলৰ কুকুৰটোলৈ চাই খেংখেঙাই উঠিল। নিমিষতে তাৰ মুখৰ মঙহডোখৰো পানীত পৰিল; সোঁতে উটাই লৈ গ'ল। বপুৰাই তেতিয়াহে বুজিলে তলৰ কুকুৰটো তাৰ নিজৰে ছাঁহে। বেজাৰ মনেৰে সি গুচি গ'ল।

বৰকৈ লোভ কৰিলে নিজৰ খিনিও হেৰুৱাব লাগে।

www.FirstRanker.com

প্ৰশ্ন ঃ খালী ঠাই পূৰ কৰা -

ক) এদিন এটা ------- আহাৰ বিচাৰি ফুৰিছিল। 1

(i) কুকুৰে

(ii) ছাগলীয়ে

(iii) গৰুৱে

খ) বাটত সি এডোখৰ ------- পালে। 1

(i) কাঠ

(ii) পিঠা

(iii) মঙহ

গ) তাৰে এডোখৰ খালে, এডোখৰ ------- লৈ আহিল। 1

(i) পথাৰলৈ (ii) বজাৰলৈ (iii) ঘৰলৈ

ঘ) ——— জিৰাই - শতাই খাব। 1

(i) বাটত (ii) হাবিত (iii) ঘৰত

ঙ) তাৰ বাটত এটা ——— । 1

(i) নৈ (ii) জুৰি (iii) বিল

চ) ——— তাৰ চকু পৰিল। 1

(i) পানীত (ii) নদীত (iii) জুৰিত

ছ) তলত মঙহ লৈ ——— যেন দেখিলে। 1

(i) ছাগলী (ii) কুকুৰ (iii) গৰু

জ) তাৰো মুখত ডাঙৰ এডোখৰ ——— 1

(i) কাঠ (ii) মঙহ (iii) মিঠাই

ঝ) কুকুৰ বৰ ——— 1

(i) লোভী (ii) গুনী (iii) খঙাল

ঞ)——— মনেৰে গুচি গ'ল। 1

(i) বেজাৰ (ii) আনন্দ (iii) সুখ

ট) গল্পটোৰ মতে কাক লোভী বুলি কৈছে? লোভী বুলি কোৱাৰ কাৰণ কি? 1x2=2

(i) ছাগলীজনীক , আনক খাবলৈ দিব নোখোজে,

(ii) কুকুৰটোক, আনৰ লগত খাবলৈ খোজে।

(iii) কুকুৰটোক, আনক খাবলৈ দিব নোখোজে।

ঠ) কুকুৰটোৱে কি বিচাৰি ফুৰিছিল? হঠাতে সি কি পালে? 1x2=2

(i) পানী বিচাৰি ফুৰিছিল, এডোখৰ কাঠ পালে।

(ii) আহাৰ বিচাৰি ফুৰিছিল, এডোখৰ মঙহ পালে।

(iii) লগৰীয়াক বিচাৰি ফুৰিছিল, এডোখৰ মাছ পালে।

ড) জুৰিৰ ওপৰত ——— আছিল, জুৰিৰ ওপৰেৰে ——— পাৰ হয়। 1x2=2

(i) ডাঙৰ বাঁহ, গৰু - ম'হ পাৰ হয়।

(ii) এডোখৰ লোহা, মানুহ - দুনুহ পাৰ হয়।

(iii) ডাঙৰ কাঠ এচটা, মানুহ - দুনুহ পাৰ হয়।

www.FirstRanker.com

FirstRanker.com
Firstranker's choice
www.FirstRanker.com www.FirstRanker.com

২) তলৰ জতুৱা খণ্ডবাক্য কেইটাৰ শুদ্ধ অৰ্থটো বাচি উলিয়াই লিখা ঃ 1x4=4

ক) আঁঠু কাঢ় – (i) ৰক্ষা পৰ
(ii) আঁঠুৰে বুল
(iii) মাটিত আঁঠু লগাই সেৱা কৰ

খ) গাই বাই চা = (i) যত্ন কৰি চোৱা
(ii) সম্পৰ্ক এৰ
(iii) দায়িত্ব আৰোপ কৰ

গ) গা গধুৰ = (i) শকত
(ii) এলেহুৱা
(iii) বেজাৰ পা

ঘ) ঘৰ ধৰা = (i) গৃহস্থালি চলোৱা
(ii) চপনীয়া
(iii) গিৰিহতঁৰ ঘৰ নেৰা

৩) তলত দিয়া প্ৰশ্ন বিলাকৰ শুদ্ধ উত্তৰটো বাছি লিখা ঃ 1x2=2

ক) উপসৰ্গ এবিধ —
(i) অব্যয় (ii) ক্ৰিয়া (iii) বিশেষ্য

খ) ই - অনুসৰ্গটো কি অৰ্থত ব্যৱহাৰ হয়?
(i) অনিশ্চয়তা (ii) দৃঢ়তা (iii) অনুৰোধ

৪) তলত দিয়া সন্ধি দুটাৰ শুদ্ধ ৰূপটো লিখা 1x2=2

ক) সন্তান — (i) সম্ + তান
(ii) সন্ + তান
(iii) সন্ত + আন

খ ) দুৰ্গতি— (i) দুঃ+ গতি
(ii) দুৰ + গতি
(iii) দুৰ্গ + অতি

৫। নিৰ্দেশ অনুসৰি শুদ্ধ উত্তৰটো লিখা ঃ 1x4=4

ক) পৃথিৱী ঘূৰণীয়া বুলি সকলোৱে জানে।

www.FirstRanker.com

(i) সৰল বাক্য

(ii) মিশ্র বাক্য

(iii) যৌগিক বাক্য

খ) পৰিশ্রম কৰিবা, তেহে উন্নতি কৰিব পাৰিবা।

(i) যৌগিক বাক্য

(ii) সৰল বাক্য

(iii) জটিল বাক্য

গ) যি আনক ভাল পায়, তেওঁক ভগৱানেও ভাল পায়।

(i) সৰল বাক্য

(ii) জটিল বাক্য

(iii) যৌগিক বাক্য

ঘ) লাচিতে মোগলক জয় কৰি গুৱাহাটীৰ পৰা খেদি দিলে।

(i) যৌগিক বাক্য

(ii) জটিল বাক্য

(iii) সৰল বাক্য

৬। শুদ্ধ সমাৰ্থক শব্দটো বাচি লিখা ঃ 1x2=2

ক) অগ্নি — (i) ললাট

(ii) পাৱক

(iii) ক্ষিতি

খ) চন্দ্ৰ — (i) অৰবিন্দ

(ii) মিহিৰ

(iii) শশধৰ

৭। শুদ্ধ উত্তৰটো বাচি লিখা ঃ 1x4=4

ক) বুধিয়ক — (i) বুধি + অক

(ii) বুদ্ধি + অক

(iii) বুদ্ধি + ইয়ক

খ) নামতী— (i) নাম + অতি

(ii) নাম + অতী

(iii) নামত + ঈ

www.FirstRanker.com

গ) নগৰীয়া— (i) নগৰ + অৰিয়া

(ii) নগৰ + ঈয়া

(iii) নগৰ + অৰীয়া

ঘ) ৰণুৱা— (i) ৰণ + উৱা

(ii) ৰন + ওৱা

(iii) ৰন + উৱা

৮। শুদ্ধ বিপৰীত অৰ্থ বুজোৱা শব্দটো বাচি লিখা ঃ 1x2=2

ক) অনুৰাগ — (i) বিৰাগ

(ii) অপৰাগ

(iii) নিৰাগ

খ) আকৰ্ষণ — (i) অনাকৰ্ষণ

(ii) নিকৰ্ষণ

(iii) বিকৰ্ষণ

৯। শুদ্ধ বিপৰীত লিংগ বাছি উলিওৱা ঃ 1x4=4

ক) দেওৰ — (i) দেওৰাণী

(ii) ননদ

(iii) বৌ

খ) দঁতাল — (i) মাখুন্দী

(ii) দঁতালী

(iii) হাতী

গ) ৰজা — (i) প্ৰজা

(ii) ৰাণী

(iii) ৰাজ্ঞী

ঘ) দমৰা — (i) চেঁউৰী

(ii) দমৰী

(iii) গাই

www.FirstRanker.com

FirstRanker.com
Firstranker's choice
www.FirstRanker.com www.FirstRanker.com

## PART - B

১০) ক) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা। উপযুক্ত শিৰোনাম আৰু নীতিশিক্ষা লিখিবা। 5x1=5

ভাদ মাহৰ প্ৰখৰ ৰ'দ —— নদী, বিল, খাল শুকাই গৈছে —— এটা কাউৰী চাৰিওফালে পানী বিচাৰি হাঁহাকাৰ —— হঠাৎ চকুত পৰিল এটা কলহ—— কলহৰ অলপ পানী—— ঢুকি নাপালে——।

অথবা

খ) তলত দিয়া যিকোনো এখন ৰচনা লিখা 5

(i) নিয়মানুবৰ্ত্তিতা (ii) আজৰি সময় কটোৱাৰ উপায়

১১) তোমাৰ বিদ্যালয়ত উদ্‌যাপন কৰা সৰস্বতী পূজাৰ বিষয়ে এখন প্ৰতিবেদন লিখি বাতৰি কাকতত প্ৰকাশৰ বাবে যুগুত কৰা। 5

১২) তলত দিয়া যিকোনো এটা ফকৰা যোজনা বজাই লিখা ঃ 5

(i) কিনা হাঁহৰ ঠোটলৈকে মঙহ।

(ii) গোৰ মাৰি গঙ্গাত পেলোৱা।

১৩) কোভিদ-১৯ ৰ মহামাৰীৰ সময়ত ঘৰতে আৱদ্ধ হৈ থকা সময় খিনি তুমি কেনেদৰে কটাইছিলা, তাকে জনাই বন্ধুলৈ এখন চিঠি লিখা। ঠিকনা সাংকেতিক ভাষাৰে লিখা। 3+2=5

১৪) যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 2x2=4

(i) বৰগীত কাক বোলে? বৰগীতৰ এটা লক্ষণ উল্লেখ কৰা।

(ii) "সজাঁৰ মইনাটিৰ অনেক যুগুতি। দেওমাৰি পাৰ হ'লে এৰিলে পীৰিতি।" বুজাই লিখা।

(iii) মহাপুৰুষ মাধৱদেৱ ৰচিত দুখন ঝুমুৰাৰ নাম লিখা।

১৫) যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 3x2=6

(i) প্ৰসংগ সংগতি দেখুৱাই ব্যাখ্যা কৰা।

আতুৰ ভৈলোহো হৰি বিষয় বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে।।

(ii) অন্তৰ্নিহিত ভাৱ বুজাই লিখা ঃ

মক্কাৰ দুৱাৰত চাহাব তিৰ্‌বেণীৰ ঘাট।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট ।।

(iii) মহাপুৰুষ মাধৱদেৱে ৰচিত বৰগীতটিৰ মূলভাৱ লিখা।

www.FirstRanker.com

FirstRanker.com
Firstranker's choice
www.FirstRanker.com www.FirstRanker.com

১৬) যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 2x2=4

(i) চমুটোকা লিখা (যিকোনো এটাৰ)

ক) ডিম্বেশ্বৰ নেওগ খ) অনুৰাধা শৰ্ম্মা পূজাৰী

(ii) ছাত্ৰসকলে কাৰ্যকৰী শিক্ষা ক'ৰ পৰা কেনেকৈ লাভ কৰিব পাৰে?

(iii) পল আৰু পাহী কোন শ্ৰেণীত পড়ে?

১৭) যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 3x2=6

(i) গাঁও একেধাৰে নগৰৰ জনক-জননী — কথাযাৰৰ অৰ্থ বুজাই লিখা।

(ii) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পল-আফতাবহঁত কি বিপদত পৰিছিল?

(iii) অৰণ্য যাত্ৰালৈ যাবলৈ পাহিয়ে কি কি বস্তু বেগত ভৰাই লৈছিল?

****

www.FirstRanker.com

**Sample Question Paper Design - 2020-2021**
**Subject : Assamese**
**Class : X**
**Code : 014**
**SET - II**

**Time : 3 Hours** **Marks : 40 + 40 = 80**

**PART - A**

১) তলৰ গল্পটো ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্ন সমূহৰ উত্তৰ লিখা।

এদিন এটা সিংহ আৰু এটা ভালুক হাবিত ঘূৰি ফুৰিছিল। দুয়ো এটা মৰা হৰিণা-পোৱালি পালে। পোৱালিটো সৰু, কথমপি এটাৰ এসাজৰ হয়। দুখ নকৰাকৈয়ে আহাৰ বিচাৰি পালে। সিঁহতৰ মনত বৰ ৰং লাগিল। পিছে হৰিণাটো খায় কোনে? ভগাই খাবৰ মন কাৰো নাছিল। সিংহই বোলে, মই খাওঁ। ভালুকে বোলে মই খাওঁ। দুয়ো সমানে বলী, কাকো কোনোৱে ভয় নকৰে। দুয়োৰে লাগিল তয়াময়া যুঁজ। সিহঁতৰ গোঁজৰণিত হাবিখন কঁপি উঠিল। দুয়ো বহুত পৰ যুঁজিলে। শেষত দুয়ো ভাগৰি পৰিল। দুয়োৰে গা ফালি ছিৰা ছিৰ হৈছে। তেজেৰে ৰাঙলী হৈছে। সিহঁত আধা - মৰা হৈ পৰি থাকিল। লৰচৰ কৰিবলৈও শকতি নাইকিয়া হ'ল। সেই ফালেদি আহিল এটা শিয়াল। সিংহ আৰু ভালুকৰ যুঁজৰ বুজ শিয়ালে আগতে পাইছিল। ওচৰলৈ আহি সি ভালকৈ তৎ ললে। শিয়ালে দুয়োলৈ চাই কলে — আপোনালোক দুয়োৰে শকত নৰিয়া হ'ল। এতিয়া মৰা হৰিণাৰ মঙহ খোৱাটো বেয়া হ'ব। এনেয়ে পচি যোৱাতকৈ ইয়াক মইয়ে খাই পেলাওঁ। আপোনালোকৰ গা ভাল হ'লে পহুৰ মঙহৰ কি আকাল হ'ব? শিয়ালে হাঁহি মাৰি হৰিণা পোৱালিটো লৈ আঁতৰি গ'ল। সিংহ আৰু ভালুকে খঙতে দাঁত মুখ কামুৰিবলৈ ধৰিলে। সিহঁতে ভাবিলে — আমি অবুজ দেখিহে অনাহকত যুঁজি মৰিলোঁ। হৰিণাটো ভগাই খোৱা হলেই ভাল আছিল। নিজৰ দোষত শতৰুৱে লাই পালে।
কাজিয়া কৰাতকৈ মিলেৰে থকাটোহে ভাল।

www.FirstRanker.com

প্ৰশ্ন ঃ খালী ঠাই পূৰ কৰা -

ক) দুয়োৰে লাগিল —— যুঁজ। 1

(i) হতাহতি (ii) তয়াময়া (iii) চুলিয়াচুলি

খ) সেইফালেদি আহিল এটা ——— । 1

(i) কুকুৰা (ii) শিয়াল (iii) ভালুক

গ) শিয়ালে হাঁহি মাৰি ——— পোৱালিটোক লৈ আঁতৰি গ'ল। 1

(i) বাঘ (ii) সিংহ (iii) হৰিণা

ঘ) এতিয়া ——— হৰিণাৰ মঙহ খোৱাটো বেয়া হ'ব। 1

(i) জীয়া (ii) মৰা (iii) আধামৰা

ঙ) হৰিণাটোক ——— খোৱা হ'লেই ভাল আছিল। 1

(i) অকলে (ii) ভগাই (iii) লুকাই

চ) ——— দোষত শতৰুৱে লাই পালে। 1

(i) নিজৰ (ii) পৰৰ (iii) আনৰ

ছ) সিহঁতৰ মনত ——— লাগিল। 1

(i) বৰ দুখ (ii) বৰ বেজাৰ (iii) বৰ ৰং

জ) সিহঁতৰ ——— হাবিখন কঁপি উঠিল। 1

(i) গোজৰণিত (ii) চিঞৰত (iii) হাঁহিত

ঝ) শেষত দুয়ো ——— পৰিল। 1

(i) বাগৰি (ii) ভাগৰি (iii) উজুটি খাই

ঞ) দুয়ো বহুত পৰ ——— ।

(i) কান্দিলে (ii) হাঁহিলে (iii) যুঁজিলে।

ট) দুয়োৰে গা ফালি ——— হৈছে, তেজেৰে ——— হৈছে। 1x2=2

(i) ছিন্ন-ভিন্ন, ৰঙালী

(ii) টুকুৰা-টুকুৰ, তেজাল

(iii) ছিৰা ছিৰ, ৰাঙলী

ঠ) পোৱালিটো কেনেকুৱা আছিল আৰু কেইসাঁজ খাব পাৰিছিল? 1x2=2

(i) পোৱালিটো ডাঙৰ, দুসাঁজ

(ii) পোৱালিটো সৰু, এসাঁজ

(iii) পোৱালিটো সৰু, দুসাঁজ

ড) এদিন এটা —— আৰু এটা ভালুক ——— ঘূৰি ফুৰিছিল। 1x2=2

(i) এটা হৰিণা, হাবিত

(ii) এটা সিংহ , বাটত

(iii) এটা সিংহ, হাবিত

২) তলৰ বাক্যকেইটাৰ খালী ঠাই সমূহ উপযুক্ত খণ্ড বাক্যৰে পূৰণ কৰা। 1x4=4

ক) আজিৰ জগতত —— ফুৰিলে মুখ নভৰে দেই।

(i) গা ঘেলাই (ii) গা সাৰ (iii) গা তোল

FirstRanker.com
Firstranker's choice


খ) সি আহি পোৱা বুলি শুনিহে মোৰ ————।

(i) গা জুৰ পৰিছে

(ii) গা উঠিছে

(iii) গা ৰৈছে

গ) মইচোন ক'ৰবাতে ৰ'লো, তুমিহে ———— হ'লা।

(i) ঘৰ গোনা

(ii) ঘৰ গিৰী

(iii) ঘৰ ধৰা

ঘ) উসঃ ভগবান! বাঘটোৱে যেনেকৈহে চোঁচা লৈছিল, কোনোমতেহে ———।

(i) গা সাৰিলো

(ii) গা টঙালো

(iii) গা ধৰিলে

৩) তলত দিয়া প্ৰশ্নৰ শুদ্ধ উত্তৰটো বাছি লিখা ঃ 1x2=2

ক) সংস্কৃত উপসৰ্গ —

(i) দহটা

(ii) পাঁচটা

(iii) বিশটা

খ) অনুসৰ্গবোৰক কোনটো নামেৰে জনা যায়?

(i) স্বাৰ্থিক প্ৰত্যয়

(ii) ক্ৰিয়া বিশেষণ

(iii) পূৰ্ব প্ৰত্যয়

৪) তলত দিয়া সন্ধি দুটাৰ শুদ্ধ ৰূপটো লিখা ঃ 1x2=2

ক) দিগন্ত — (i) দিগ্ + অন্ত

(ii) দিক্ + অন্ত

(iii) দিগ্ + অনন্ত

খ) বৃষ্টি — (i) বৃষ্ + টি

(ii) বৃষ + তি

(iii) বৃষ্ট + ই

www.FirstRanker.com

FirstRanker.com
Firstranker's choice


৫) তলত দিয়া বাক্য কেইটা কোনটো কি বাক্য লিখা ঃ 1x4=4

ক) পৃথিৱী ঘূৰণীয়া বুলি সকলোৱে জানে।

(i) সৰল বাক্য

(ii) মিশ্ৰ বাক্য

(iii) যৌগিক বাক্য

খ) মই যেতিয়া পঢ়োঁ, সি তেতিয়া খেলে।

(i) সৰল বাক্য

(ii) যৌগিক বাক্য

(iii) জটিল বাক্য

গ) এম. এ পাছ কৰিও সৎ হ'ব নোৱাৰিলা।

(i) জটিল বাক্য

(ii) সৰল বাক্য

(iii) যৌগিক বাক্য

ঘ) তাই পঢ়া-শুনাত ভাল কিন্তু তাইৰ ব্যৱহাৰ বেয়া।

(i) সৰল বাক্য

(ii) জটিল বাক্য

(iii) যৌগিক বাক্য

www.FirstRanker.com

৬) শুদ্ধ সমাৰ্থক শব্দটো বাচি লিখা ঃ 1x2=2

ক) নদী —

(i) তটিনী

(ii) সমীৰ

(iii) অম্বুদ

খ) পৃথিৱী—

(i) ধৰিত্ৰী

(ii) ত্ৰিযামা

(iii) আলয়

৭) শুদ্ধ উত্তৰটো বাছি লিখা ঃ 1x4=4

ক) শেহতীয়া— (i) শেষ + অতীয়া

(ii) শেহ + অতীয়া

(iii) শেষত + ঈয়া

খ) জাপানী (i) জাপ + আনী

(ii) জাপান + ই

(iii) জাপান + ঈ

গ) মৰমিয়াল - (i) মৰম + ইয়াল

(ii) মৰম + ঈয়াল

(iii) মৰমী + আল

ঘ)লুণীয়া — (i) লোণ + ঈয়া

(ii) লুণ + ঈয়া

(iii) লোণ + ইয়া

৮) শুদ্ধ বিপৰীত অৰ্থ বুজোৱা শব্দটো বাচি উলিয়াই লিখা ঃ 1x2=2

ক) আচাৰ — (i) অনাচাৰ

(ii) বিচাৰ

(iii) দুৰাচাৰ

খ) শান্ত — (i) অশান্ত

(ii) প্ৰশান্ত

(iii) নিশান্ত

৯) শুদ্ধ বিপৰীত লিংগ বাচি উলিওৱা ঃ 1x4=4

ক) নবাব (i) নবাবী

(ii) বেগম

(iii) গোলাম

খ) বোন্দা (i) জাঁই

(ii) বুন্দী

(iii) বোন্দী

www.FirstRanker.com

গ) তাৰৈ (i) বিয়ৈ
(ii) আইচু
(iii) আমৈ

ঘ) ডেকা (i) গাভৰু
(ii) ডেকেৰী
(iii) বুঢ়ী

## PART - B

১০) ক) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা। উপযুক্ত শিৰোনাম আৰু নীতিশিক্ষা দিবা। 5x1=5

এবাৰ কাছ আৰু শহাৰ দৌৰ প্ৰতিযোগিতাৰ সিদ্ধান্ত —— কথামতে প্ৰতিযোগিতা আৰম্ভ হ'ল —— কোন জিকিব —— শহা বহুত আগত —— কাছ পিছত লাহে লাহে একে গতিত ——।

অথবা

খ) তলত দিয়া যিকোনো এখন ৰচনা লিখা ঃ 5x1=5

(i) অধ্যৱসায়
(ii) সময়ৰ মূল্য

১১) তোমাৰ বিদ্যালয়ত উদ্‌যাপন কৰা বাৰ্ষিক খেল ধেমালিৰ বিষয়ে এখন প্ৰতিবেদন লিখি বাতৰি কাকতত প্ৰকাশৰ বাবে যুগুত কৰা। 5x1=5

১২) তলত দিয়া যিকোনো এটা ফকৰা যোজনা বুজাই লিখা। 5x1=5

(i) তুলসীৰ লগত কলপটুৱাৰ মুক্তি
(ii) এশ গৰু মাৰিলে বাঘৰো মৰণ।

১৩) হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পিছত সময়খিনি কেনেদৰে কটাবা তাকে জনাই বন্ধুলৈ এখন চিঠি লিখা। ঠিকনা শুদ্ধকৈ সংকেত বাক্যত লিখিবা। 3+2=5

১৪) যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 2x2=4

ক) মহাপুৰুষ মাধৱদেৱে কাৰ আদেশত বৰগীত ৰচনা কৰিছিল? মাধৱদেৱ ৰচিত বৰগীতৰ সংখ্যা কিমান?

খ) চমুটোকা লিখা ঃ আজান ফকিৰ

গ) "জিকিৰ" শব্দটো কি শব্দৰ পৰা ওলাইছে? এই জিকিৰবোৰক কিহৰ লগত তুলনা কৰিব পাৰি?

www.FirstRanker.com